প্ৰেছ বিজ্ঞপ্তি

২২ নৱেম্বৰ, ২০১৬

**৫০০ আৰু ১০০০ টকা মুদ্ৰাবৰ্গৰ বৰ্তমানৰ বেংকনোটৰ বৈধমুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰ**
**বিনিময় সুবিধা - পব্যৱহাৰৰ সূচনা - ৰাইজক সতৰ্কীকৰণ**

এই বিষয়ক ঘোষণাৰ দিনা জনসাধাৰণৰ হাতত থকা নিৰ্দিষ্ট নোটবোৰ (৫০০ টকীয়া আৰু ১০০০ টকীয়া পুৰণি নোট) বিনিময়ৰ যোগেদি বা নিজ নিজ একাউণ্টত জমাভুক্ত কৰি সেইবোৰৰ মূল্য লব পৰাকৈ সদ্য অচল নোটবোৰ বৈধ বেংকনোটেৰে বিনিময় কৰিবলৈ আৰু গ্ৰাহকৰ একাউণ্টত তেনে নোট সীমাহীন ৰাশিৰে জমা কৰিবলৈ ৰাইজক সুবিধা দিয়া হৈছে।

একাংশ অজলা লোকে এনেবোৰ নোট আনৰ হৈ বিনিময় কৰাৰ বিষয়ে অৱগত হোৱা হৈছে, একাংশই আনকি অবৈধভাৱে মজুত ৰখা নগদ ধনো নিজ নিজ একাউণ্টত জমাভুক্ত কৰিছে। আনহে নালাগে, প্ৰধানমন্ত্ৰীৰ জন ধন যোজনা একাউণ্টকো এনেবোৰ কামৰ বাবে ব্যৱহাৰ কৰা হৈছে।

জনসাধাৰণক ইয়াৰ দ্বাৰা সতৰ্ক কৰি দিয়া হয় যে কৰ্তৃত্ব বহিৰ্ভূতভাৱে এই নিৰ্দিষ্ট বেংকনোটবোৰ বিনিময়/লেনদেন কৰাটো বিধিবহিৰ্ভূত কাৰ্য আৰু কঠোৰ শাস্তিমূলক ব্যৱস্থাযোগ্য।

প্ৰেছ বিজ্ঞপ্তিঃ২০১৬-১৭/১২৮৩

**আল্পনা কিল্লাৱালা**
প্ৰধান উপদেষ্টা